# অধ্যক্ষৰ মেজৰ পৰা ...



জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ জন্ম ইতিহাসৰ সৈতে বকো অঞ্চলৰ সাধাৰণ জনগণৰ ইতিহাস জড়িত হৈ আছে। ষাঠিৰ দশকৰ প্ৰথম ভাগত এই অঞ্চলৰ কেইজনমান সচেতন ব্যক্তিয়ে এটি উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰে। সেই সময়ৰ ৰাজ্যিক পৰিবহন মন্ত্ৰী তথা বিধান সভালৈ বকো অঞ্চলৰ  পৰা নিৰ্বাচিত হৈ যোৱা প্ৰতিনিধি স্বৰ্গীয় প্ৰবীন কুমাৰ চৌধুৰীৰ তৎপৰতাত আৰু কেইজনমান সচেতন ব্যক্তিৰ উদ্যোগত ১৯৬৪ চনৰ ৩ আগষ্ট তাৰিখে এই মহাবিদ্যালয়ে জন্ম লাভ কৰে। সৌ তাহানিৰে পৰা কেতিয়াবা বাধা-বিপত্তি, কেতিয়াবা ক'তো উজুতি নোখোৱাকৈ মসৃণ পথেৰে আগবাঢ়ি আহি এই মহাবিদ্যালয়ে বৰ্তমানৰ অৱস্থা পাইছেহি।

এই মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'জৱাহৰজ্যোতি' য়ে এইবেলি ৩২ টা বসন্ত গৰকিছে। আমি আশা ৰাখিছো পূৰ্বৰ দৰে এইবাৰে 'জৱাহৰজ্যোতি' য়ে জ্যোতিৰ সন্ধান দিব, গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি সাহিত্যৰ অঙ্গবোৰে 'জৱাহৰজ্যোতি'ৰ কোলা শুৱনি কৰিব আৰু ইয়াক সুখপাঠ্য কৰি তুলিব। ছাত্ৰ-ছাত্ৰীসকলৰ কুমলীয়া মনৰ কোমল অনুভূতিবোৰৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ মাধ্যমৰূপে 'জৱাহৰ জ্যোতি প্ৰতিবছৰে প্ৰকাশ হৈয়ে আহিছে। আমি আহবান জনাইছো যাতে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকশিত কৰাৰ এই সুযোগকণৰ সদ্ব্যৱহাৰ কৰে। কোনে জানে 'জৱাহৰ জ্যোতি'ত আত্মপ্ৰকাশ কৰা কোনোবা জনেই এদিন হয়তো সুকবি, সুসাহিত্যিক হিচাপে সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হবগৈ পাৰে।

শেষত ছাত্ৰ-ছাত্ৰীসকললৈ আমি আহবান জনাইছো, তেওঁলোকে যাতে বৰ্তমানৰ যান্ত্ৰিক জগতৰ যন্ত্ৰপ্ৰায় সভ্যতাৰ সৈতে সহাৱস্থান কৰিবলৈ গৈ নিজৰ অস্তিত্বক বিসৰ্জন নিদিয়ে। এষাৰ কথা সদায় মনত ৰখা উচিত "তৰোৱালৰ দ্বাৰা কৰা জয়ৰ একো মূল্য নাই, অহিংস আৰু প্ৰেমেৰে মানুহৰ মন জয় কৰিব পৰাটোহে প্ৰকৃত জয়।" ছাত্ৰ-ছাত্ৰীসকল দেশৰ ধৰণী স্বৰূপ। দেশৰ এই সংকটপূৰ্ণ অৱস্থাত তেওঁলোকে হাতত কলম তুলি লওক। বাৰুদৰ ধোৱাৰে, স্বয়ংক্ৰিয় অস্ত্ৰেৰে ইতিহাস ৰচনা নহয়। এখন নিৰ্মল, স্বচ্ছ আকাশৰ তলত মুকলি মনেৰে হাঁহিব পৰা অৱস্থালৈ পুনৰ ওভোতাই অনাৰ দায়িত্ব এই তৰুণ-তৰুণীসকলৰ। গতিকে তেওঁলোকে এই গুৰু দায়িত্ব মূৰ পাতি লবলৈ সাজু হ'বৰ হ'ল। এজন বিখ্যাত লোকৰ এফাঁকি কথাৰে আমাৰ লিখনীৰ মোখনি মাৰিলো —


There is only one Religion,
the religion of Love;
There is only one caste,
the caste of Huminity;
There is only one Language,
the language of Heart;
There is only one God,
He is Omnipresent.

গতিকে আমি ধৰ্ম, জাতি বৰ্ণ, ভাষা আদিক লৈ খোৱা কামোৰা নকৰি সৰ্বসৃষ্টি ব্যাপ্ত হৈ থকা এজন ঈশ্বৰৰ সন্তান বুলি মানি লৈ মৰততে সৰগ স্থাপন কৰিবলৈ চেষ্টা কৰা উচিত।

"জৱাহৰ জ্যোতি'ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে

ড° নৃপেন গোস্বামী
অধ্যক্ষ, জৱাহৰলাল নেহৰু মহাবিদ্যাল

# শ্ৰদ্ধাঞ্জলি



হে শ্বহীদ, তোমাক সহস্ৰ প্ৰণাম
তোমাৰ তেজৰ শপত ল'লো
ৰাখিম জননীৰ মান।

জননীৰ মান ৰখাতকৈ
জীৱন নহয় ডাঙৰ।
যুঁজিম নহ'লে মৰিম আমি
কৰিলো আমি পণ।।

সত্যৰ যদি সদায় জয়
আমাৰো জয় নিশ্চয়।
তৰিম নহ'লে মৰিম আমি
নেমানো পৰাজয়।।

# আমি কৃতজ্ঞ হৈ ৰম

জৱাহৰজ্যোতিৰ প্ৰতিটো পদক্ষেপতে বিভিন্ন দিহা-পৰামৰ্শাৱলীৰে আমাক প্ৰোৎসাহিত কৰা, প্ৰতি ক্ষেত্ৰতে ইতিবাচক সহাৰিৰে আমাক আগবঢ়াই যোৱাত সহায় কৰা অধ্যক্ষ ড° নৃপেন গোস্বামী, উপাধ্যক্ষ ড° লক্ষ্মীকান্ত শৰ্মা, তত্ত্বাৱধায়িকা শ্ৰীযুতা মঞ্জিৰা শৰ্মা, লগতে ড° কমলেশ্বৰ ঠাকুৰীয়া, ৰঞ্জিৎ বৈশ্য, ড° ৰেখা চেন্দ্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যিসকলৰ লিখনীয়ে জৱাহৰজ্যোতিক এখন পূৰ্ণাংগ আলোচনীৰ ৰূপত সজাই তুলিলে সেইসকললৈ কৃতজ্ঞতা নিবেদন কৰিছোঁ। বেটুপাতৰ শিল্পী ডেনিয়েল মাৰাক আৰু "লেজাৰ ক্ৰিয়েচনচ"ৰ স্বত্বাধিকাৰী শ্ৰীযুত ৰূপক শৰ্মা লগতে সমূহ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰঋণী হৈ ৰলো।

অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

সম্পাদক

Prof. Indira Goswami has won several National and International Awards which includes Bharatiya Jnanpith award, Sahitya Academy award, Bharat Nirman award, K.K. Foundation National award, Assam Sahitya Sabha award, International Tulsi award, Katha award etc. Film based on her novel also received National and International awards. She has been honoured with D.Litt degree from Rabindra Bharati University. She has been honoured by several Universities and Institutions. She is a member of many National and International bodies.

'RAMANJALI'
House No. 23.
Uma Kanta Goswami Enclave.
Gandhi Basti,
North Sarania Bylane-6
Guwahati-781003
Ph. : 0361-2664266
0361-2668314
99547-11080

**PROF. INDIRA GOSWAMI** M.A.Ph.D.
**(MAMONI RAISOM GOSWAMI)**



## — শুভেচ্ছা বাণী —

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আলোচনী "জৱাহৰ জ্যোতি"ৰ বাবে মই [illegible] সকলোকে মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

মোৰ দৃঢ় বিশ্বাস এই আলোচনীখনে আমাক অনেক কথাৰ সন্ধান দিব। ছাত্ৰ-ছাত্ৰী আৰু পাঠকেও এই আলোচনীখনক অতি আদৰেৰে গ্ৰহণ কৰিব বুলিও মই আশা কৰিছোঁ।

"জৱাহৰ জ্যোতি" দীৰ্ঘজীৱি হওঁক এয়ে মোৰ কামনা।

মামণি ৰয়ছম গোস্বামী
২০. ৭. ২০১০

জয় আই অসম

# দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থা

## SOUTH WEST KAMRUP STUDENTS' UNION

মূখ্য কাৰ্য্যালয় ঃ বকো

**Head Office : Boko**

প্ৰসংগ ঃ

তাৰিখঃ.........................

## শুভেচ্ছা বাণী

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ৩২তম্ "জৱাহৰ জ্যোতি" আলোচনীখন প্ৰকাশৰ প্ৰস্তুতি চলোৱাত আমি দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থা সুখী হৈছোঁ।

"জৱাহৰ জ্যোতি" আলোচনীখন জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দাপোন স্বৰূপ। আলোচনীখনৰ লিখনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশত আগবঢ়াৰ লগতে ভৱিষ্যত প্ৰজন্মক অনুপ্ৰেৰণা যোগাব।

এই আশাৰে "জৱাহৰ জ্যোতি"ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। শেষত আমি দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থাই বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু সম্পাদনা সমিতিক শুভেচ্ছা জনালোঁ।

ইতি


(অচিন্ত ৰাভা)
সভাপতি

(মঃ চামাদ আলী)
সাধাৰণ সম্পাদক

দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থা, বকো।

# সম্পাদকীয়





সম্পাদকীয় কলমৰ পাতনিতে যিসকলে আমাৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত নিজৰ দেশ আৰু জাতিৰ কাৰণে প্ৰাণ আহুতি দি কেঁচা তেজেৰে অসম মাতৃৰ চৰণ ধুৱালে, যিসকল গুণী জ্ঞানী, বিদ্বান-বিদুষীয়ে অসমীয়া মাতৃভাষাৰ বুনিয়াদ গঢ়ি চিৰদিনৰ বাবে আমাক এৰি গ'ল, যিসকলে দেশৰ বিভিন্ন প্ৰান্তৰত দেশৰ কল্যাণৰ হকে মাত মাতি দুস্কৃতিকাৰীৰ হাতত প্ৰাণ আহুতি দিলে, সেইসকল মহান ব্যক্তিৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি মোৰ হিয়াভৰা শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে যিসকল মহান ব্যক্তিৰ চেষ্টাত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে জন্ম গ্ৰহণ কৰিছিল সেই সকললৈও মই শ্ৰদ্ধা আৰু ভক্তি নিবেদন কৰিছোঁ। যিসকলৰ স্বাৰ্থ শূন্য তথা আন্তৰিকতাপূৰ্ণ সহায় সহযোগিতাত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'আলোচনী সম্পাদক'ৰ দায়িত্ব পালনৰ সুবিধা পালো তেওঁলোকলৈ এই ছেগতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অসমৰ সাম্প্ৰতিক পৰিস্থিতি অতিকৈয়ে ভয়াবহ। চৌদিশে বিচ্ছিন্নতাবাদী মনোভাব প্ৰগাঢ়। হিংসা-সন্ত্ৰাসৰ ক'লা ডাৱৰে আকাশ ছানি ধৰিছে। তাৰ লগে লগে বাঢ়ি আহিছে সামাজিক; ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন সমস্যা। এচাম সুবিধাবাদী লোকে নিজৰ স্বাৰ্থ পূৰণৰ বাবে ধৰ্ম, ভাষা, জাতিৰ নামত বিভেদৰ সৃষ্টি কৰি ভাতৃঘাতী সংঘৰ্ষৰ ৰণ শিঙা বজাইছে। যি দুই এক স্বাধীন মনোবৃত্তিৰ জাতিবাদী ব্যক্তি আছিল পেশী আৰু ধন শক্তিৰ জৰিয়তে তেওঁলোকৰ বিবেক আৰু কণ্ঠ স্তব্ধ কৰি দিছে চিৰদিনৰ বাবে। এই বোৰ কাণ্ড কাৰখানা দেখি শুনিও নিজকে বুদ্ধিজীৱি বুলি উচ্চাসনত বহুওৱা লোক সকল চকুমুদি থাকে। অৱশ্যে কেতিয়াবা দোষমুক্ত হোৱাৰ বাবে প্ৰচাৰ মাধ্যমৰ জৰিয়তে সাক্ষাৎকাৰ বা দুই এটা প্ৰবন্ধ নিবন্ধ লিখি "আমিও আপোনালোকৰ লগত আছোঁ" বুলি কয়। কিন্তু তেওঁলোকে ৰাইজৰ মাজলৈ প্ৰত্যক্ষভাৱে ওলাই আহি সুখ দুখৰ সমভাগী হ'বলৈ সমস্যাবোৰৰ সমাধানৰ চেষ্টা নকৰে কিয়? যদি এনেদৰে আমি জানি বুজি সময়বোৰ গতানুগতিকভাবে পাৰ কৰো, তেনেহ'লে অসমীয়া জাতিৰ জীৱন বস্তি নুমুৱাবলৈ বেছি দিন নালাগিব। গতিকে

সময় থাকোতেই সচেতন হৈ হিংসা সন্ত্ৰাসত থানবান হ'ব ধৰা বাৰেবৰণীয়া অসমীয়া সমাজখনক আমিয়েই পুনৰুত্থান কৰিবলৈ আগবাঢ়ি আহিব লাগিব। এইক্ষেত্ৰত যুৱশক্তিয়ে অগ্ৰণী ভুমিকা ল'ব লাগিব। কাৰণ জাতি এটা মূলতঃ যুৱশক্তিৰ ওপৰতে নিৰ্ভৰশীল। যান্ত্ৰিকতাৰ এনে সীমাহীন বাধাইও ছাত্ৰ-ছাত্ৰীৰ মনৰ অনুভূতিক সৃষ্টিশীল জগতখনৰ পৰা বিচ্ছিন্ন কৰিব পৰা নাই। সৃষ্টিশীল জগতখনৰ দুৱাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সদায় মুকলি। কাৰণ তেওঁলোকৰ যৌৱনৰ স্বপ্ন, জীৱনৰ আশা-আকাঙ্ক্ষাৰ কোনো ধৰা বন্ধা পৰিসীমা নাথাকে। তেওঁলোক সন্মুখৰ পিনে আগবাঢ়িছে সম্ভাৱনাৰ অন্বেষণত।

আমাৰ মহাবিদ্যালয়ৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব প্ৰতিভাৰে সাহিত্যৰ বিশাল পথাৰ খনত খোজ পেলাইছে। এয়া আমাৰ বাবে নিশ্চয় গৌৰৱৰ বিষয়। সম্প্ৰতি আমাৰ মহাবিদ্যালয়ৰ প্ৰাঙ্গণত প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰী সাহিত্যৰ বিভিন্ন দিশৰ লগত জড়িত। অৱশ্যে এটা কথা স্বীকাৰ কৰিব লাগিব যে অধ্যয়ন আৰু অনুশীলনৰ প্ৰতি অনীহা ভাবৰ বাবেই তেওঁলোকৰ বেছি ভাগৰ লিখনীত এতিয়াও পৈণত ভাব ফুটি উঠা নাই। গতিকে ভৱিষ্যতে অধিক অধ্যয়ন আৰু অনুশীলনে তেওঁলোকৰ মাজৰ পৰাই বিশিষ্ট লেখকৰ সৃষ্টি কৰিব বুলি আমি আশা ৰাখিছোঁ। লগতে সাহিত্য চৰ্চাৰ পৰিৱেশটো আৰু অধিক সজীৱ কৰিবৰ কাৰণে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

"জৱাহৰজ্যোতি" আমাৰ মহাবিদ্যালয় খনৰ মুখপত্ৰ। সেয়ে ইয়াৰ জৰিয়তে মহাবিদ্যালয়খনৰ পূৰ্ণ প্ৰতিচ্ছবি ফুটি উঠাৰ কাৰণে ওপৰত সম্পাদক হিচাপে মই পাৰ্যমানে চেষ্টা কৰিছোঁ। মই মোৰ সীমিত জ্ঞানেৰে আলোচনীখন সৰ্বাঙ্গ সুন্দৰ কৰাত যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছো। তৎসত্বেও ৰৈ যোৱা ভুল ত্ৰুটিৰ বাবে মই বিনম্ৰভাৱে ক্ষমা মাগিছো। লিখনিৰ অভাৱত সময়মতে আলোচনীখন প্ৰকাশ কৰিব নোৱাৰাৰ বাবে আপোনাসৱৰ ওচৰত ক্ষমা মাগিছোঁ। পলমকৈ হলেও ছাত্ৰ-ছাত্ৰীসকলৰ হাতত তুলি দিবলৈ সফল হোৱা বাবে সম্পাদনা সমিতিৰ সভাপতি অধ্যক্ষ শ্ৰীযুত নৃপেন গোস্বামী, উপাধ্যক্ষ শ্ৰীযুত লক্ষ্মী কান্তশৰ্মা, তত্বাৱধায়িকা শ্ৰীযুতা মঞ্জিৰা শৰ্মা বাইদেউ, অধ্যাপিকা শ্ৰীযুতা ৰেখা ছেত্ৰী বাইদেউ আৰু অধ্যাপক শ্ৰীযুত ৰঞ্জিত বৈশ্য, অধ্যাপক শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়া ছাৰলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা শ্ৰীযুতা বিজয়া চহৰীয়া বাইদেউ, শ্ৰীযুত পুলক তালুকদাৰ ছাৰলৈ কৃতজ্ঞতা জনাইছোঁ। লগতে মোৰ সহপাঠী বন্ধু - শ্ৰীযুতা ৰুমিতা ফুকন বাইদেউ আৰু বান্ধৱীসকললৈও ধন্যবাদ যাচিছোঁ।

সদৌ শেষত বকো জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মই সম্পাদকীয় সামৰিলোঁ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

জয়তু জৱাহৰজ্যোতি

শ্ৰীনিতুমণি তালুকদাৰ
সম্পাদক
"জৱাহৰজ্যোতি" ২০০৯-২০১০

# সূচীপত্ৰ

## অসমীয়া বিভাগ


| প্ৰবন্ধ | লেখক | পৃষ্ঠা |
|---|---|---|
| পশ্চিমীয়া সংস্কৃতি আৰু বৰ্তমানৰ যুৱ সমাজ | গৰিমা ৰাভা | ১ |
| আধুনিকতাৰ পৰশত প্ৰেম | নন্দিতা মজুমদাৰ | ৩ |
| ম'বাইল ফোন আৰু ছাত্ৰ-ছাত্ৰী | কৰুণা কলতা | ৪ |
| চলাচল বিশ্লেষণ | বিজয়া ডেকা | ৫ |
| নিষিদ্ধ নাৰীৰ প্ৰসিদ্ধ কবিতা | ড° কমলেশ্বৰ ঠাকুৰীয়া | ৮ |
| স্বাধীনোত্তৰ কালৰ অসমীয়া নাটক | মঞ্জিৰা শৰ্মা | ১৫ |
| ৰত্নগৰ্ভা মাজুলী | মৃদুস্মিতা ভট্টাচাৰ্য | ১৮ |
| আজিৰ সমাজ আৰু দুৰ্নীতি | শিৰোমণি তালুকদাৰ | ২০ |
| ডাইক্ৰ ফেনাক ঃ শগুণৰ এক নীৰৱ ঘাটক | ড° ৰেখা চেত্ৰী | ২১ |
| **গল্প** | | |
| অ, মই জীয়াই থাকিব বিচাৰো | দীপামণি দৈমাৰী | ২৬ |
| কাম কৰা ছোৱালী | শুদ্ধদেৱ বসুমতাৰী | ৩২ |
| এখন কিতাপ | অঞ্জুমান ৰাভা | ৩৪ |
| ইষ্টানবুলত অকলে | পুলক তালুকদাৰ | ৩৫ |
| ব্যৰ্থ | বন্দনা মেধী | ৩৭ |
| **কবিতা** | | |
| মই কুশলে আছো, মমতা | দীপামণি দৈমাৰী | ৩৮ |
| ইমান ধুনীয়া তুমি কাৰ বাবে? | নৱদ্বীপ ৰাভা | ৩৯ |
| আঁচোৰ | বসন্ত কুমাৰ দত্ত | ৪০ |
| এজাঁক বৰষুণৰ অপেক্ষাত | চয়নিকা দাস | ৪১ |
| অনুভৱ | গৌতম বড়ো | ৪১ |
| ধন্য হে আজিৰ যুগৰ ইনা, টিনা, দিশা | অনুপম কলিতা | ৪২ |
| শিৰোনামত মাথো তুমি | শিৰোমণি তালুকদাৰ | ৪৩ |
| অপৰাজিতা | কণমণি বড়ো | ৪৩ |
| জোন.... ক'ত পাম তোমাৰ খবৰ | মৃদুস্মিতা ভট্টাচাৰ্য | ৪৪ |

শীতৰ আবেলি ১০ — অনুপম কলিতা ৪৫
ক্লান্ত নদী ১১ — বৰষা পাটোৱাৰী ৪৫
জোনাক নিশাৰ কবিতা ১২ — অংশুমান ৰাভা ৪৬
কোন তুমি মনালিছা? ১৩ — দীপামণি দৈমাৰী ৪৬
অৱসাদ ১৪ — বিউটি গগৈ ৪৭
মোৰ কবিতা ১৫ — নৱদ্বীপ ৰাভা ৪৭
চিৰ সেউজীয়া মানুহ ১৬ — কুলেন্দ্ৰ ৰায়চৌধুৰী ৪৮

## যুৱ প্ৰজন্ম, তিনিটা প্ৰশ্ন, আপুনি আৰু মই এখন্তেক...

যশস্বী কণ্ঠশিল্পী খগেন মহন্তৰ সৈতে এখন্তেক ৪৯
আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ লক্ষ্মীকান্ত শৰ্মাৰ সৈতে এখন্তেক ৫০
আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বসন্ত কুমাৰ দত্তৰ সৈতে এখন্তেক ৫১
'আমাৰ অসম' কাকতৰ বাতৰি বিভাগৰ মুৰব্বী শ্ৰীযুত গৌতম শৰ্মাৰ সৈতে এখন্তেক ৫২
বিশিষ্ট চিকিৎসক ডাঃ মানস প্ৰতীম বৰুৱাৰ সৈতে এখন্তেক ৫৩
আমাৰ মহাবিদালয়ৰ ভুগোল বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীঅৰুনী কুমাৰ দাসৰ সৈতে এখন্তেক ৫৪
জিলা পৰিবহন বিষয়া শ্ৰীযুত দিগন্ত বিশ্বশৰ্মাৰ সৈতে এখন্তেক ৫৭
আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুমিতা ফুকনৰ সৈতে এখন্তেক ৫৮
আমাৰ মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ কৰুণা কলিতাৰ সৈতে এখন্তেক ৫৯

## প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মনৰ কোঠালীৰ পৰা (এটি এটি ক্ষণ যেন মকুতাৰে ধন)

প্ৰাক্তন ছাত্ৰী গুণদা দাসৰ মনৰ খবৰ ৬১
প্ৰাক্তন ছাত্ৰ কুলেন্দ্ৰ ৰায়চৌধুৰীৰ মনৰ খবৰ ৬৩
প্ৰাক্তন ছাত্ৰ পৰাণ ঠাকুৰীয়াৰ মনৰ খবৰ ৬৬
প্ৰাক্তন ছাত্ৰ ধীৰাজ কলিতাৰ মনৰ খবৰ ৬৭
প্ৰাক্তন ছাত্ৰী হীৰামণি দাসৰ মনৰ খবৰ ৬৮

## ভিন্ন ৰস, ভিন্ন স্বাদ

কৌতুক ৭২
অকথ্য ৭২
বিজ্ঞানে আনিব জোৱাৰ— সাতৰঙৰ ৰামধেনু বাৰু কোনেনো সজালে ৭৩
ভূমিকম্প আৰু ইয়াৰ আঁৰৰ বিজ্ঞান ৭৩
বিশ্বকাপ ফুটবলৰ কেইটামান গুৰুত্বপূৰ্ণ তথ্য ৭৪
জানিব লগীয়া কথা ৭৫
প্ৰতিবেদন চ'ৰা ৭৮

## প্ৰবন্ধৰ শৰাই

# পশ্চিমীয়া সংস্কৃতি আৰু বৰ্তমানৰ যুৱ সমাজ

গৰিমা ৰাভা





পশ্চিমীয়া সংস্কৃতি বুলিলে জাক জমকতা তথা আধুনিকতাৰে ভৰপূৰ এখন কৃত্ৰিম ছবিয়ে মনলৈ আহে। পশ্চিমীয়া সংস্কৃতিয়ে আমাৰ ভাৰতবৰ্ষতো প্ৰভাব বিস্তাৰ কৰিছে আৰু ইয়াৰ লগে লগে ভাৰতবৰ্ষৰ চুকে কোণে থকা ৰাজ্য আৰু অঞ্চলবোৰতো ইয়াৰ প্ৰভাব বিয়পি পৰিছে। এতিয়া যেন ক'তোৱে এডোখৰ শান্তিৰ ঠাই নাই, অলপ নিৰিবিলিকৈ জিৰাবলৈ। উশাহটো লওতেওঁ যেন কৃত্ৰিমতাৰহে গোন্ধ পোৱা যায়। যিফালে চাওঁ সিফালেই মাথো কৃত্ৰিমতা আৰু আজিৰ যুৱ সমাজে এই কৃত্ৰিমতাকেই আদৰি লয়। আমাৰ এচাম যুৱক যুৱতীয়ে সময়ৰ সোঁতত খোজ মিলাবলৈ গৈ এই পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি ধাবমান হোৱা দেখা গৈছে। বৰ্তমানৰ লগত খাপ খুৱাবলৈ বা আধুনিকতাৰ লগত যেৰ মাৰিবলৈ গৈ বহুতে অকাল মৃত্যুক সাৱতি লব লগীয়া হোৱাও পৰিলক্ষিত হৈছে।

পশ্চিমীয়া সংস্কৃতি আজিৰ এচাম যুৱক যুৱতীৰ মাজত বৰ জনপ্ৰিয় আৰু ইয়াক খুব সযতনেৰে আকোৱালি লোৱা দেখা পোৱা গৈছে। যুৱক-যুৱতীসকলে ইয়াৰ নামতেই স্কুল কলেজ আদিলৈ ওলাই আহি পাৰ্ক, ৰেস্তোৰা, বাৰ, ডিস্ক' থেক, ছবি ঘৰ আদিলৈ গৈ ভিৰ কৰিছে আৰু প্ৰেম ৰোমান্স কৰি উপভোগ কৰিছে জীৱনৰ এক মধুময় সময়। স্কুল কলেজখনক আমি প্ৰত্যেকেই গোঁসাই ঘৰৰ দৰে পূজা কৰিব লাগে। শিক্ষা গুৰু সকলেও শিক্ষা দান কৰি আশীৰ্বাদ দিয়ে ভৱিষ্যতে যেন প্ৰত্যেকেই একো একোজন সুব্যক্তিত্বৰ অধিকাৰী হোৱাৰ লগতে গুণী জ্ঞানী , সুযোগ্যবান হৈ সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। যিখন বিদ্যালয় বা মহাবিদ্যালয়ক আমি শ্ৰদ্ধা কৰিব লাগে তাৰ বিপৰীতে উচ্ছৃংখলতাহে দেখা গৈছে। এচাম যুৱক-যুৱতীয়ে নিজৰ শিক্ষানুষ্ঠানখনকেই অৱমাননা কৰিছে। ইউনিফৰ্ম পিন্ধি গৈছে ডেটিঙত। ইউনিফৰ্ম পিন্ধিয়েই দেখা পোৱা গৈছে Cineme hall ৰ সন্মুখত আৰু হয়তো কেতিয়াবা দেখা গৈছে পবিত্ৰ স্থান মন্দিৰৰ পিছফালে অশ্লীল ৰূপত। 'ইউনিফৰ্ম' এই সাজযোৰৰ অস্তিত্বই শেষ কৰি পেলাইছে। আধুনিকতাৰ নামত



ভণ্ডামি, দেখা গৈছে ডিস্ক'থেক বোৰত সুৰাত ৰাগী হৈ যি মুমূৰ্ষ অৱস্থাত থাকে আৰু অভদ্ৰতাৰ চৰম সীমা পাই হৈ যোৱাকৈ যি কথা-বতৰা পাতে বা অৱস্থাত থাকে সঁচাকৈ বৰ লাজৰ কথা। ৰেস্তোৰাবোৰতো দেখা যায় বিভিন্ন ভংগীমাৰে গা ঘেলাই কথা পাতি থকা কিছুমান দৃশ্য যেন মেৰুদণ্ডহীন প্ৰাণীহে। পাৰ্কবোৰতো কেতিয়াবা বয়োজ্যেষ্ঠসকলে পৰিয়ালৰ লগত এখন্তেক মুকলি বতাহ ল'বলৈ, তাত এষাৰ মনৰ কথা পাতিবলৈ আৰু শিশু ল'ৰা-ছোৱালীবোৰক মনোৰঞ্জনৰ খোৰাক জোগাবলৈ বৰ্তমান লৈ যাব নোৱাৰি, কাৰণ এতিয়া আৰু শিশু উদ্যান শিশু উদ্যান নহয়, প্ৰেমিক প্ৰেমিকাৰ এক আৱৰণ নথকা লাজলগা উন্মুক্ত যৌৱনৰ মেলাহে। এই সকলোবোৰ পশ্চিমীয়া সংস্কৃতিৰ কবলত পৰিয়েই অশালীন হৈ পৰিছে। শালীনতাৰ সীমা পাৰ হৈ যোৱাকৈ কাপোৰ পৰিধান কৰিছে। পোছাক পৰিচ্ছদৰ কোনো গুৰুত্ব নোহোৱা হৈছে। চুটি চুটি সাজ পাৰ পৰিধান কৰিছে তাকো দেহৰ আধা উলিয়াই থকা, যেন পিন্ধিব কাপোৰ নাইহে। ভাব হয় নগ্নতা ঢাকিবৰ বাবে এয়াই যেন যথেষ্ট। এই চাম তথাকথিত আমাৰ সমাজৰ ভদ্ৰ লোকৰ সুযোগ্য সন্তানক সুধিলে কব এয়াই হেনো Fashion তুমি নুবুজিবা। হায়! মোৰ কপাল, 'ফাট মেলা বসুমতি পাতালে লুকাও।' ৰাতি বাৰ বজালৈকে ডিস্ক থেকবোৰত এই Fashionable dress, style কৰিয়ে দেখা গৈছে সুৰাত মতলীয়া হৈ কান্ধত হাত থৈ যুৱক যুৱতীয়ে উচ্চস্বৰে গান বজাই নাচি আছে। এয়াই হেনো জীৱন, জীৱনটো উপভোগ কৰিছে আৰু নষ্ট কৰিছে জীৱনৰ বহু মূল্যৱান সময়। ইমান নিকৃষ্টতম আৰু নিম্ন মানদণ্ডৰ চিন্তা ধাৰণা লুকাই আছে এই চাম যুৱক যুৱতীৰ মনত। জীৱনটোক যেন উপভোগ কৰাৰ আন উপায় নায়েই। জীৱনটোক উপভোগ কৰাৰ অন্য ৰাস্তাওটো আছে, কিন্তু সেইবোৰৰ প্ৰতি সিহঁতৰ চকু মেলি চাব সময় নাই, ধাউতি কেৱল পশ্চিমীয়া সংস্কৃতিতহে।






বৰ্তমান যুৱ প্ৰজন্মৰ এই চাম যুৱক যুৱতী যিমানে বিপথে পৰিচালিত হৈছে তাৰ বাবে একমাত্ৰ সিহঁতক দোষাৰোপ কৰিলেই নহ'ব। আচলতে সিহঁতৰ সমানে আমাৰ অভিভাৱক সকলো দায়ী। কিয়নো যিহেতু যুগটোৱে হৈছে প্ৰতিযোগিতাৰ যুগ সেয়ে অভিভাৱকসকলে নিজৰ ল'ৰা বা ছোৱালীজনী কোনো দিশতে আনতকৈ পিছপৰি থকাতো নিবিচাৰে। যাৰ বাবে বিচাৰিলেই হিচাপ নোহোৱাকৈ টকা পইছা দিছে, দামী ম'বাইল, বাইক আদি ভাল বেয়া বিচাৰ নকৰাকৈ লবলৈ দিছে। এই যুৱক-যুৱতীৰ সকলৰ বেছিভাগেই মধ্যবিত্ত শ্ৰেণীৰ ঘৰৰ ল'ৰা ছোৱালী। যাৰ ফলত ল'ৰা ছোৱালীয়ে প্ৰতিযোগিতাৰ পিছত দৌৰোতে বহুতে নিজস্ব হেৰুৱাইছে। অভিভাৱকসকলে কিছুমান অলাগতিয়াল বস্তু যিটো নহ'লেও চলে সেইটোও দিছে কাৰণ আনৰ ল'ৰা ছোৱালীতকৈ যাতে নিজৰ ল'ৰাটো বা ছোৱালীজনী পিছপৰি নাথাকে, এখোপ ওপৰতহে থাকে সেইটোহে বিচাৰে। এতিয়া প্ৰশ্ন হৈছে আচলতে এই চাম নৱ প্ৰজন্মৰ ভৱিষ্যত কোন দিশে? পাৰিবনে সিহঁতে ভৱিষ্যতৰ একোজন সুস্থ নাগৰিকৰ ৰূপত থিয় হ'বলে? এই চাম ভৱিষ্যত অন্ধকাৰৰ নৱ প্ৰজন্মক কওঁ যে আধুনিকতাৰ নামত যেন নিজকে পাহৰি নাযায়। সঠিক পথত খোজ দি ভৱিষ্যতৰ কথা ভাবে আৰু অভিভাৱক সকলৰো এই ক্ষেত্ৰত দায়িত্ব আছে। হে, অভিভাৱক সকল সচেতন হ'বৰ হ'ল, এতিয়া আৰু প্ৰতিযোগিতাৰ পিছত নদৌৰি নিজৰ ল'ৰা ছোৱালীক সমাজৰ একোজন সুব্যক্তিৰ ৰূপত থিয় কৰোৱাৰ প্ৰচেষ্টাহে কৰা উচিত। কাৰণ প্ৰতিযোগিতাৰ পিছত দৌৰি ল'ৰা ছোৱালীয়ে যিখিনি নোৱাৰে অভিভাৱকসকলে সেইখিনি কৰাবলৈ বাধ্য কৰাইছে। সেয়েহে আমি প্ৰত্যেকেই সুস্থ মানসিকতাৰ পৰিচয় দি এই চাম নৱ প্ৰজন্মক শুদ্ধ পথত আগবঢ়াই নিয়াৰ বাবে সকলোৰে ভ্ৰাতৃ-ভগ্নীৰ দৰে একগোট হৈ আগবঢ়া উচিত। ইয়াৰ বাবে আমাৰ সমাজখনো সজাগ হ'বৰ হ'ল। যুৱ প্ৰজন্মক সঠিক পথত ঘুৰাই অনাৰ বাবে সমাজৰ লগতে অভিভাৱক সকলেও আগবাঢ়ি অহা উচিত আৰু তেতিয়াহে সমাজৰ লগতে দেশখনৰো উন্নতি হ'ব আৰু প্ৰত্যেকেই একো একোজন সবল নেতৃত্ব দিব পৰা নাগৰিক হ'ব যাৰ পৰা আমাৰ অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ নাম বিশ্ব দৰবাৰত সোণালী আখৰেৰে চিৰ যুগমীয়া হৈ জিলিকি থাকিব।

# আধুনিকতাৰ পৰশত প্ৰেম

মিচ নন্দিতা মজুমদাৰ
স্নাতক তৃতীয় বৰ্ষ

"Love is divine, miracle of civilisation, wisdom of the fool and folly of the wise".



প্ৰেম কি? প্ৰেমৰ অনুভৱ কি? যুগে যুগে প্ৰেমৰ অৰ্থ আৰু প্ৰেমৰ অনুভৱো সলনি হৈ আহিছে। আগৰ দিনত প্ৰেম হৈছিল গছৰ তলত, খেতি পথাৰত, নদীৰ পাৰত আৰু প্ৰেমিকাৰ পদুলি মুখত। প্ৰেমিকাই প্ৰেমিকক এপলক চাবৰ বাবে বৈ থাকিছিল নিজৰ ঘৰৰ পদুলি মুখত। কিন্তু বৰ্তমানৰ সময়ত প্ৰেম হয় মোবাইল ফোনত, ৰেষ্টুৰেন্টত আৰু পাৰ্কত। বৰ্তমান সময়ত প্ৰেয়সীয়ে মনৰ কথা চিঠিত লিখি প্ৰেমিকলৈ নপঠিয়ায়। ইয়াৰ পৰিবৰ্তে প্ৰেমিকাই মোবাইল ফোনত SMS ৰ জৰিয়তে নিজৰ মনৰ কথা প্ৰকাশ কৰে। আগৰ দিনত প্ৰেমৰ কোনো দিবস বা বিশেষ দিন বুলি কথা নাছিল, আৰু আছিল যদিও সেই সময়ৰ মানুহবোৰে এই বিষয়ে অজ্ঞাত আছিল। কিন্তু বৰ্তমান পশ্চিমীয়া সংস্কৃতিৰ অনুকৰণত ১৪ ফেব্ৰুৱাৰীৰ দিনাখন "ভেলেন্টাইন ডে" উদ্‌যাপন কৰা হয়। পুৰণি দিনত বহাগ মাহত বসন্ত ঋতুটোকে প্ৰেমৰ সময় বুলি প্ৰেমিক প্ৰেমিকা সকলে উপভোগ কৰিছিল। বহাগৰ বিহুত গাওঁৰ যুৱক যুৱতীসকলে একগোট হৈ পথাৰৰ মাজত, গছৰ তলত একেলগে বিহু নৃত্য পৰিবেশন কৰিছিল। বিহু গীতৰ জৰিয়তে প্ৰেমিকে প্ৰেমিকাক মনৰ কথা মুখেৰে ব্যক্ত কৰিছিল আৰু বিহু নচাৰ অন্তত প্ৰেমিকে প্ৰেমিকাকক পলুৱাই লৈ গৈছিল। বহাগ বিহুৰ সময়ত প্ৰেমিকাই প্ৰিয়জনলৈ নিজ হাতেৰে ফুলাম গামোচা বৈ হিয়া ভৰা মৰম যাচিছিল। প্ৰেমিকে পাহাৰ বগাই প্ৰেমিকালৈ কপৌফুল আনি উপহাৰ দিছিল। কিন্তু বৰ্তমান সময়ত উপহাৰৰ সামগ্ৰী হৈ পৰিছে দামী দামী মবাইল ফোন, গ্ৰীটিংচ কাৰ্ড, টেডি বিয়েৰ ইত্যাদি।

বৰ্তমান যুগত প্ৰেমক কিছুমানে উপভোগৰ সামগ্ৰী বুলিও ভাবিব লৈছে। যাৰ ফলত কিছুমানৰ মনত প্ৰেম মানে এটা বিকৃত ধাৰণা আহি পৰিছে। বাহ্যিক সৌন্দৰ্যত আপ্লুত হৈ কিছুমান যুৱকে প্ৰেমৰ প্ৰস্তাৱ যুৱতীলৈ আগবঢ়ায় কিন্তু ফলস্বৰূপে সেই সম্বন্ধটো খন্তেকীয়া হোৱা দেখা যায়। কিছুমানে প্ৰেম বুলি যৌৱনটোকে নষ্ট কৰাৰো উদাহৰণ আছে। আজিকালিৰ কিছু সংখ্যক লৰা ছোৱালীয়ে প্ৰেম মানে ৰেষ্টুৰেন্টৰ এচুকত বহি সময় কটোৱা, পাৰ্কত বহি কথা পতা, যৌন সম্ভোগ এইবোৰকে বুজে। প্ৰেমৰ পবিত্ৰতা বৰ্তমান সময়ত প্ৰায়েই ম্লান হৈ গৈছে।

আনহাতে প্ৰেম বুলিলে কিছুসংখ্যক লোকৰ ধাৰণা হয় যে এয়া যেন এক অভিশপ্ত নিশা। সচাঁ প্ৰেম বিচাৰি যেতিয়া কিছুমানে পায় মাথো হতাশা, বিশ্বাসহীনতা আৰু দুখ। আজিৰ যুগত সচা প্ৰেম বহুত সৌভাগ্যৰ ফলতহে বিচাৰি পাব পাৰি। প্ৰেমৰ গভীৰতা অনুভৱ কৰিব পৰা মন বৰ্তমান সময়ত বিচাৰি পোৱাটো অতি কঠিন। প্ৰকৃত প্ৰেমক আকাশত থকা অগণন তৰাৰ লগত্ সাগৰৰ গভীৰ পানীৰ লগত ৰিজাই চাব পাৰি। যাৰ কোনো সীমা নাই, যাৰ কোনো অন্ত নাই। প্ৰেম হ'ল মনৰ ভিতৰত সোমাই থকা এক সুপ্ত অনুভূতি। প্ৰকৃত প্ৰেম কৰিবলৈ দৰকাৰ হয় এখন সচাঁ হৃদয়ৰ, এটা সাহসী মনৰ আৰু প্ৰেমৰ প্ৰতি থাকিব লাগে অসীম শ্ৰদ্ধা আৰু বিশ্বাস।

# ম'বাইল ফোন আৰু ছাত্ৰ-ছাত্ৰী

*(থিতাতে লিখা প্ৰবন্ধ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰবন্ধ)*

করুণা কলিতা
স্নাতক ২ য় বৰ্ষ

'ম'বাইল ফোন আৰু ছাত্ৰ-ছাত্ৰী' সাম্প্ৰতিক সময়ৰ এক চিন্তনীয় বিষয়। দূৰ সংযোগ ব্যৱস্থাৰ নৱতম সমল হৈছে ম'বাইল ফোন। আৰু ই অতিকৈ জনপ্ৰিয় হৈ পৰিছে যুৱ-চামৰ মাজত বিশেষকৈ স্কুলীয়া আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত। ম'বাইল ফোনৰ অবিহনে আজিৰ দৈনন্দিন জীৱন যেন অচল।

ম'বাইল ফোন ব্যৱহাৰকাৰীৰ মাজত প্ৰায় সকলো বয়সৰ পুৰুষ-মহিলা বিদ্যমান। যদিওবা ওপৰত উল্লেখ কৰা হ'ল যে ম'বাইল ফোন বৰ্তমান দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য সমল কিন্তু ব্যৱহাৰৰ সময়োপযোগিতা আৰু মাত্ৰাইহে ইয়াক অৰ্থপূৰ্ণ কৰি তুলিব। সেয়ে ম'বাইল ফোনৰ ইতিবাচক গুণ যিদৰে আছে ঠিক তেনেদৰে নেতিবাচক প্ৰভাৱো আছে।

ম'বাইল ফোনৰ ইতিবাচক দিশবোৰৰ ভিতৰত অন্যতম হ'ল ই সময় ৰাহি কৰে আৰু ইয়াক যেনেতেনি লৈ ফুৰিব পাৰি। আৰু ইয়াৰ সঠিক ব্যৱহাৰে আমাক লাভান্বিত কৰিতোলে। ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ক'বলৈ গ'লে সিহঁতে বন্ধু-বৰ্গৰ লগত পঠনীয় বিষয়ত চৰ্চা কৰি অধ্যয়ন প্ৰক্ৰিয়া আগুৱাই নিব পাৰে। আনকি শিক্ষক -শিক্ষয়িত্ৰীৰ লগতো এক সু-সম্বন্ধ বজাই ৰাখি উপযোগী দিহা-পৰামৰ্শ লাভ কৰিব পাৰে যিয়ে সিহঁতৰ পঠনীয় বিষয় সহজে বোধগম্য কৰি তুলিব পাৰে। আনহাতে যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে ঘৰৰ পৰা দূৰত থাকি হোষ্টেল বা মেচ আদিত থাকি পঢ়া-শুনা কৰে সিহতে মাক-দেউতাক আৰু ঘৰৰ আত্মীয়ৰ লগত সহজে নিয়মিত যোগাযোগ ৰাখিব পাৰে।

আনহাতে ম'বাইল ফোনৰ নেতিবাচক প্ৰভাৱবোৰৰ ভিতৰত অন্যতম হ'ল যেতিয়াই তেতিয়াই ফোনত ব্যস্ত থাকি অমূল্য সময় নষ্ট কৰা। আজি কালি অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজত এই প্ৰৱণতা সহজে লক্ষ্য কৰিব পাৰি। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সিহতৰ বন্ধুবৰ্গৰ লগত কিছুমান অলাগতিয়াল কথা পাতিয়েই সময় অপব্যয় কৰে। সিহঁতে ম'বাইল ফোনৰ দ্বাৰা সহজে এক বৃহৎ বন্ধু মহল গঢ়ি তোলে যিবোৰৰ দৈনিক খা-খবৰ লওঁতেই ঘন্টাৰ পিছত ঘন্টা উকলি যায়। শেহতীয়া দামী ম'বাইলবোৰৰ আন এক নেতিবাচক দিশ হৈছে ইয়াত উপলব্ধ বিভিন্ন আকৰ্ষণীয় ভিডিঅ' গেম (Video Game), চিনেমা, গীত আদিৰ বিপুল সমাহাৰ আৰু কেতবোৰ নগ্ন ছবি। যিবোৰে ছাত্ৰ-ছাত্ৰীৰ মনত অধ্যয়নৰ প্ৰতি এক অনীহাৰ সৃষ্টি কৰিছে আৰু কিছুমান নিষিদ্ধ আৰু ঘৃণনীয় কাৰ্যৰ বাবে অৰিহণা যোগায়। ছাত্ৰ-ছাত্ৰীৰ কোমল অপৰিপক্ক মন আৰু মগজুত ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হৈ পৰে যাৰ ফলস্বৰূপে আজিৰ সমাজ হৈ পৰিছে ৰুগীয়া। আজি সমাজত ঘটি থকা হত্যা, হিংসা আদিৰ বাবে আধুনিকতাৰ অৱদান ম'বাইলকো জগৰীয়া কৰাৰ থল আছে।

শেষত কব বিচাৰিছো যিকোনো সমলৰ ফল নিৰ্ভৰকৰে গৰাকীজনৰ ওপৰতহে। গৰাকীজন অৰ্থাৎ ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ফোনক সময়োপযোগী আৰু সিহঁতৰ বৌদ্ধিক উত্তৰণৰ আহিলা হিচাপে ব্যৱহাৰ কৰিলে ই নিশ্চয় এক অত্যাৱশ্যকীয় সাধন হিচাপে পৰিগণিত হ'ব আনহাতে ইয়াক ব্যৱহাৰ কৰিব নাজানিলে অৰ্থাৎ সঠিক ব্যৱহাৰ নকৰিলে ই এখন ধ্বংসমুখী আধুনিকতা আৰু বিলাস প্ৰৱণ সমাজৰ আহবান হিচাপে পৰিগণিত হ'ব।

# চলাচল বিশ্লেষণ

বিজয়া ডেকা
শিক্ষা বিভাগ

সমাজত শান্তিপূৰ্ণভাৱে বাস কৰিবলৈ হ'লে প্ৰতিজন ব্যক্তিৰে ইতিবাচক মনোভাব, পাৰস্পৰিক বুজাপৰা তথা বন্ধুত্বপূৰ্ণ ব্যৱহাৰ আদি গুণৰ প্ৰয়োজন। সুৰুচিপূৰ্ণ ব্যক্তিত্ব তথা মূল্যবোধৰ জ্ঞান থকা লোকজনেহে সততে সকলো পৰিবেশত মিলিব পাৰে। আনহাতে যিকোনো কামতে কৃতকাৰ্যতা লাভ কৰিবলৈ অথবা আনৰ পৰা সহায় পাবলৈ হলেও আমি নিজৰ আচৰণ ইতিবাচক কৰিব লাগিব। প্ৰয়োজন বিশেষে আচৰণ সংশোধনো কৰিব লাগিব। জীৱনৰ বাটত আগবাঢ়োতে আমাৰ মনৰ ভাব, দৃষ্টিভংগী, কাম কৰাৰ পদ্ধতি, মূল্যবোধৰ ধাৰণা আদি সলনি হ'ব পাৰে। অৰ্থাৎ পৰিবেশ পৰিস্থিতিয়ে আমাৰ আচৰণ নিয়ন্ত্ৰণ কৰে। আচৰণ হৈছে একোজন ব্যক্তিৰ ভূষণ স্বৰূপ। সেইবাবে আনক বুজাৰ কৌশল, যিকোনো পৰিৱেশত সমাযোজন হোৱাৰ কৌশল জনাটো অতীব প্ৰয়োজন। .

ইংৰাজীত ব্যৱহাৰ হোৱা 'Transactional' শব্দটি 'Transact' ৰ পৰা আহিছে। যাৰ অৰ্থ আচৰণ সম্বন্ধীয় অৰ্থাৎ এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ লগত কৰা আদান প্ৰদান বা ভাব বিনিময়। এই আচৰণ এটা দলে আন এটা দলৰ লগত কৰা আচৰণ বা এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰৰ লগত কৰা আচৰণকো সামৰি লয়। দুটা দলে পৰস্পৰৰ প্ৰতি দেখুওৱা মনোভাবেই হ'ল দুটা দলৰ মাজত হোৱা সহযোগিতা,প্ৰতিযোগিতা বা সংঘৰ্ষৰ মূল কাৰণ।

Transactional Analysis ৰ বিষয়ে পোন প্ৰথমে অধ্যয়ন কৰা ব্যক্তিগৰাকীৰ নাম হ'ল Eric Berne (এৰিক বেৰ্ণ) আমেৰিকাৰ বিখ্যাত মানসিক ৰোগী বিশেষজ্ঞ Eric Berne এ ১৯৬৮ চনত 'Games people play' নামৰ কিতাপ এখন প্ৰকাশ কৰে। এই কিতাপখনতে তেওঁ Transactional Analysis ৰ কথা আলোচনা কৰে। Transactional Analysis এনে এক পদ্ধতি যাৰ জৰিয়তে মানুহৰ ব্যৱহাৰ তথা পাৰস্পৰিক সম্বন্ধ অথবা আদানৰ বিষয়ে আলোচনা কৰা হয়। অভিধানিক অৰ্থৰ পৰা ফালৰি কাটি আহি ইয়াক 'চলাচল' বুলিবও পাৰি।

চলাচল বিশ্লেষণৰ চাৰিটা দিশ আছে। সেই কেইটা হ'ল —

১) গঠনমূলক বিশ্লেষণ (Structural Analysis)

২) চলাচল বা কাৰ্যনিৰ্বাহক মূলক বিশ্লেষণ (Transactional Analysis)

৩) খেলমূলক বিশ্লেষণ (Game Analysis)

৪) ৰচনামূলক বিশ্লেষণ (Structural Analysis)

কোনো নতুন কামত হাত দিবৰ বাবে গঠনমূলক বিশ্লেষণ আৰু চলাচল বিশ্লেষণৰ বৰ প্ৰয়োজন। গতিকে আমাৰ আলোচনাত এই দুবিধ বিশ্লেষণৰ বিষয়ে আলোচনা কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰা হ'ল।

গঠনমূলক বিশ্লেষণ (Structural Analysis)

Eric Brene ৰ মতে প্ৰতিজন মানুহৰে তিনিটা 'ইগ মনোভাব' (Ego States) আছে এই তিনিটা 'ইগ' মনোভাবে আন ব্যক্তিৰ লগত কামকাজ তথা আদান প্ৰদান আচৰণত প্ৰভাব পেলায়। মন কৰিবলগীয়া যে ইয়াত 'ইগ' শব্দটিয়ে 'অহম' ভাৱক নুবুজায়, বৰং ই মনৰ এক অৱস্থাকহে (Ego states - sets of programming) সূচায়। মানুহৰ মাজত দেখা এই 'ইগ ভাবক' তিনি ভাগত ভগাব পাৰি। যেনে – (ক) Parent Ego (P) (খ) Adult Ego (A) (গ) Child Ego (C)


সাধাৰণতে মানুহে যেতিয়া আনৰ মনৰ ভাব আদান প্ৰদান কৰে এই তিনিটাৰ যিকোনো এটা 'ইগ'ৰ প্ৰকাশ ঘটে। বাস্তৱ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি যেতিয়া কোনো ব্যক্তিয়ে মনৰ ভাব ব্যক্ত কৰে বা আচৰণ কৰে তেতিয়া Parent Ego ৰ প্ৰকাশ ঘটে। আকৌ নিজৰ বিচাৰ বিবেচনাৰে যেতিয়া মনোভাব প্ৰকাশ কৰে তেতিয়া ই হৈ পৰে Adult Ego । আনহাতে নিজা বিচাৰ বিবেচনা নোহোৱাকৈ প্ৰদৰ্শন কৰা আচৰণত Child Ego প্ৰকাশ হয়।

চলাচল বিশ্লেষণ (Transactional Analysis):


এই প্ৰকাৰ চলাচলত এক পক্ষত উদ্দীপক (Stimulus) আৰু আন পক্ষত প্ৰতিক্ৰিয়া (Respons) জড়িত হৈ থাকে। মন কৰিবলগীয়া যে ভাষাৰ প্ৰয়োজন নহয়। বহু সময়ত অংগী ভংগী সংকেত আদিৰেও মনৰ ভাব প্ৰকাশ কৰিব পাৰি। আদান প্ৰদান বা চলাচল (Transaction) ক তিনিভাগত ভগাব পাৰি।


(ক) পৰিপূৰক আদান-প্ৰদান (Complementary Transactions)
(খ) বিপৰীতমুখী আদান-প্ৰদান (Cross Transaction) আৰু
(গ) ছদ্ম বা গোপন আদান-প্ৰদান (Ulterion Transaction)


পৰিপূৰক বা সম্পূৰক আদান-প্ৰদানত পৰস্পৰৰ মাজত সমান্তৰাল প্ৰতিক্ৰিয়া দেখা যায়। প্ৰতিক্ৰিয়া কেনেধৰণৰ হ'ব পাৰে আগতেই অনুমান কৰিব পাৰি। যাৰফলত কথোপকথনৰ সীমাবদ্ধতা নেথাকে।




বিপৰীতমুখী আদান-প্ৰদানৰ বেলিকা বক্তাই আশা নকৰা ধৰণৰ প্ৰতিক্ৰিয়া লাভ কৰে। ফলস্বৰূপে কেতিয়াবা আদান প্ৰদান বন্ধও হব পাৰে।




আনহাতে গোপন আদান প্ৰদানো দুজন ব্যক্তিৰ মাজত সংঘটিত হ'ব পাৰে। এইক্ষেত্ৰত দুয়োপক্ষই গোপনীয়তা ৰক্ষা কৰিব বিচাৰে অথচ দুয়োৱে এই কথা জানে।

